**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 20-10-2025
**Time :** 0705 HRS.

ASSAMESE MORNING BULLETIN

**HEADLINES**

**::::::::::::::::::**

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সকলো নাগৰিকক উৎসৱৰ বতৰত স্বদেশী সামগ্ৰী ক্ৰয় কৰি ১৪০ কোটি ভাৰতীয়ৰ পৰিশ্ৰমক উদযাপন কৰিবলৈ আহ্বান জনাইছে।

২। ৰাষ্ট্ৰপতি, প্ৰধানমন্ত্ৰী আৰু উপ-ৰাষ্ট্ৰপতিয়ে দীপাৱলী উপলক্ষে দেশবাসীক শুভেচ্ছা জ্ঞাপন কৰিছে।

৩। বিহাৰ বিধানসভা নিৰ্বাচনৰ দ্বিতীয় পৰ্যায়ৰ বাবে মনোনয়ন দাখিল প্ৰক্ৰিয়াৰ আজি অন্ত পৰিব।

৪। চেন্নাইত ফটকা বিস্ফোৰণৰ ফলত কালি কমেও ৪ জন লোকৰ মৃত্যু হয়। ***আৰু***

৫। আই চি চি মহিলা বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত যোৱা নিশা ইন্দোৰৰ হ'লকাৰ ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত ইংলেণ্ডে ভাৰতক ৪ ৰানত পৰাস্ত কৰে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সকলো নাগৰিকক উৎসৱৰ বতৰত স্বদেশী সামগ্ৰী ক্ৰয় কৰি ১৪০ কোটি ভাৰতীয়ৰ পৰিশ্ৰমক উদযাপন কৰিবলৈ আহ্বান জনাইছে। শ্ৰীমোদীয়ে লগতে সকলোকে উৎসৱৰ সময়ত ক্ৰয় কৰা সামগ্ৰীসমূহ সামাজিক মাধ্যমত শ্বেয়াৰ কৰিবলৈও আহ্বান জনায়। এনে ব্যৱস্থাই আনকো এনে পদক্ষেপ ল'বলৈ অনুপ্ৰাণিত কৰিব বুলি তেওঁ উল্লেখ কৰে। মাই গভ ইণ্ডিয়াৰ এটা প'ষ্টৰ উত্তৰ দি প্ৰধানমন্ত্ৰী মোদীয়ে ভাৰতত উৎপাদিত সামগ্ৰী ক্ৰয় কৰাৰ প্ৰয়োজনীয়তাত গুৰুত্ব আৰোপ কৰে। সমগ্ৰ দেশজুৰি থলুৱা উদ্যোগ আৰু কাৰিকৰসকলৰ বিকাশৰ বাবে চলি থকা অভিযানৰ মাজতে প্ৰধানমন্ত্ৰীৰ এই আহ্বানে আত্মনিৰ্ভৰশীলতা আৰু অৰ্থনৈতিক সৱলীকৰণৰ বাৰ্তা বহন কৰিছে। এই পদক্ষেপৰ প্ৰতি সমৰ্থন জনাই মাই গভ ইণ্ডিয়াই **দীপাৱলী উদযাপন আৰু স্বদেশী সৱলীকৰণ** শীৰ্ষক এটা বিশেষ অভিযান মুকলি কৰিছে। এই অভিযানৰ জৰিয়তে থলুৱা কাৰুশিল্পী সকলক সমৰ্থনৰ প্ৰয়োজনীয়তাৰ ক্ষেত্ৰত গুৰুত্ব দিয়া হৈছে। প্ৰধানমন্ত্ৰী মোদীয়ে তেওঁৰ বাৰ্তাত দেশবাসীক ভকেল ফৰ লোকেল মন্ত্ৰৰে আগবাঢ়িবলৈ অনুপ্ৰাণিত কৰে। দেশৰ স্বাধীনতা সংগ্ৰামৰ সৈতে গভীৰভাৱে সংপৃক্ত হৈ থকা স্বদেশী অভিযানে শেহতীয়াকৈ চৰকাৰৰ আত্মনিৰ্ভৰ ভাৰত পদক্ষেপৰ জৰিয়তে পুনৰ গতি লাভ কৰে। থলুৱা সামগ্ৰীৰ প্ৰসাৰৰ জৰিয়তে এই অভিযানে থলুৱা অৰ্থনীতিৰ বিকাশ, নিয়োগ সৃষ্টি আৰু আমদানিৰ ওপৰত থকা নিৰ্ভৰশীলতা হ্ৰাস কৰাৰ প্ৰয়াস কৰিছে।

০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণননে দীপাৱলী উপলক্ষে দেশবাসীক শুভেচ্ছা জ্ঞাপন কৰিছে। এটা বাৰ্তাত ৰাষ্ট্ৰপতি মুৰ্মুৱে কয়, যে দীপাৱলী হৈছে ভাৰতৰ আটাইতকৈ জনপ্ৰিয় উৎসৱ যাক বিপুল উৎসাহ-উদ্দীপনাৰে উদযাপন কৰা হয়। এই উৎসৱে অন্ধকাৰৰ ওপৰত পোহৰ, অজ্ঞানতাৰ ওপৰত জ্ঞান আৰু অশুভৰ ওপৰত শুভ কাৰ্যৰ জয়ক উদযাপন

কৰে। শ্ৰীমতী মুৰ্মুৱে লগতে কয়, যে পোহৰৰ এই উৎসৱে আত্মপ্ৰতিফলন আৰু আত্মবিকাশৰ সুযোগ দিয়াৰ লগতে পাৰস্পৰিক স্নেহ আৰু ভাতৃত্ববোধৰ বাৰ্তা দিয়ে। তেওঁ সকলোকে সুৰক্ষিতভাৱে দায়িত্বসহকাৰে আৰু পৰিৱেশ অনুকুল ব্যৱস্থাৰে দীপাৱলী উদযাপন কৰিবলৈ আহ্বান জনায়। ৰাষ্ট্ৰপতিগৰাকীয়ে লগতে দীপাৱলীয়ে সকলোলৈ সুখ, শান্তি আৰু সমৃদ্ধি কঢ়িয়াই অনাৰ কামনা কৰে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দীৱাপলী উপলক্ষে দেশবাসীলৈ শুভেচ্ছা জনাইছে। এটা বাৰ্তাত প্ৰধানমন্ত্ৰীয়ে এই পোহৰৰ উৎসৱে সকলোৰে জীৱন শান্তি আৰু সমৃদ্ধিৰে উপচাই তুলিব বুলি কামনা কৰে। তেওঁ লগতে ৰাষ্ট্ৰৰ সকলো দিশতে ইতিবাচক শক্তিৰ বিৰাজৰ বাবে প্ৰাৰ্থনা কৰে।

উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণননে এটা বাৰ্তাত দীপাৱলীৰ পৱিত্ৰ ক্ষণত দেৱী লখিমীয়ে সকলোলৈ শান্তি, সমৃদ্ধি কঢ়িয়াই অনাৰ লগতে সকলোৰে সুস্বাস্থ্য কামনা কৰে।

লোকসভাৰ অধ্যক্ষ ওম বিৰলাইও দেশবাসীক দীপাৱলীৰ শুভেচ্ছা জ্ঞাপন কৰিছে। তেওঁ লগতে সমাগত গোবৰ্ধন পূজা আৰু ভাইদোজৰো শুভেচ্ছা জনায়। এটা বাৰ্তাত শ্ৰীবিৰলাই কয়, যে দীপাৱলী হৈছে ভাৰতৰ সংস্কৃতি আৰু পৰম্পৰাৰ আত্মা স্বৰূপ। তেওঁ সকলো নাগৰিককে দীপাৱলীৰ ক্ষণত সমাজত একতা, ভাতৃত্ববোধ, পাৰস্পৰিক বিশ্বাস আৰু সমতা শক্তিশালী কৰাৰ পন ল'বলৈ আহ্বান জনায়।

০০০০০

বিহাৰ বিধানসভা নিৰ্বাচনৰ দ্বিতীয় পৰ্যায়ৰ বাবে মনোনয়ন দাখিল প্ৰক্ৰিয়াৰ আজি অন্ত পৰিব। এই পৰ্যায়ত মুঠ ২৪৩ খন আসনৰ ভিতৰত ১২২টা সমষ্টিৰ বাবে ১১ নৱেম্বৰত নিৰ্বাচন অনুষ্ঠিত হ'ব। আজি প্ৰথম পৰ্যায়ৰ মনোনয়ন পত্ৰ প্ৰত্যাহাৰৰো অন্তিম দিন। ৰাজ্যখনত অহা ৬ নৱেম্বৰত ১৮ খন জিলাৰ ১২১টা বিধানসভা সমষ্টিত প্ৰথম পৰ্যায়ৰ নিৰ্বাচন অনুষ্ঠিত হ'ব। ১৪ নৱেম্বৰত ভোটগণনা কৰা হ'ব।

০০০০০

চেন্নাইত ফটকা বিস্ফোৰণৰ ফলত কালি কমেও ৪ জন লোকৰ মৃত্যু হয়। চেন্নাইৰ পাট্টাবিৰাম আবদীৰ এটা ঘৰত বিক্ৰীৰ বাবে মজুত কৰি ৰখা ফটকাৰ বিস্ফোৰণৰ পৰাই এই দুৰ্ঘটনা সংঘটিত হয়। ইয়াৰে মৃত দুজন লোক ফটকাৰ গ্ৰাহক হোৱাৰ বিপৰীতে দুজন লোকে ঘৰটোত বাস কৰিছিল। এই দুৰ্ঘটনাত ফটকা মজুত কৰি ঘৰটো সম্পূৰ্ণৰূপে ভস্মীভূত হয়। আৰক্ষীয়ে এই সংক্ৰান্তত এটা গোচৰ ৰুজু কৰিছে।

০০০০০

কেন্দ্ৰীয় ৰে'লমন্ত্ৰী অশ্বিনী বৈষ্ণৱে ৰে'লৱেৰ উচ্চ পদস্থ বিষয়াসকলৰ সৈতে কালি নিশা আনন্দ বিহাৰ ষ্টেচন পৰিদৰ্শন কৰে। দীপাৱলী তথা ষট পূজাৰ সময়ছোৱাত ৰে'লযাত্ৰীসকলৰ সুবিধা-অসুবিধাৰ বুজ লোৱাৰ উদ্দেশ্যে মন্ত্ৰীগৰাকীয়ে এইদৰে কালি ষ্টেচনটোত কালি উপস্থিত হয়। তেওঁ যাত্ৰীসকলৰ লগত বাৰ্তালাপ কৰাৰ লগতে এই সন্দৰ্ভত তেওঁলোকৰ মতামতো গ্ৰহণ কৰে।

সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰীবৈষ্ণৱে কয়, যে দীপাৱলী আৰু ষট পূজাৰ সময়ত দিল্লী ষ্টেচনত যাত্ৰীৰ যথেষ্ট ভিৰ হয় আৰ এই সময়ছোৱাত ৰে'লৱে কৰ্তৃপক্ষই প্ৰতিবাৰে যাত্ৰীৰ সুবিধাৰ অৰ্থে অতিৰিক্ত ব্যৱস্থা গ্ৰহণ কৰে। তেওঁ কয়, যে ৰে'ল মন্ত্ৰালয়ে মুম্বাই, পুনে, ছুৰাট, বেংগালুৰু, ছেকেন্দ্ৰাবাদ আদি যাত্ৰীৰ যথেষ্ট ভিৰ পৰিলক্ষিত হোৱা ষ্টেচনসমূহতো যাত্ৰীৰ সুবিধাৰ বাবে অতিৰিক্ত ব্যৱস্থা গ্ৰহণ কৰিছে।

০০০০০

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে কাইলৈ আৰক্ষী স্মৃতি দিৱস উপলক্ষে নতুন দিল্লীত থকা ৰাষ্ট্ৰীয় আৰক্ষী স্মাৰকত শ্বহীদ আৰক্ষী কৰ্মীসকলৰ প্ৰতি শ্ৰদ্ধাৰ্ঘ্য নিবেদন কৰিব। ১৯৫৯ চনৰ ২১ অক্টোবৰত লাডাখত চীনা সৈনিকৰ অতৰ্কিত আক্ৰমণত ছহিদ হোৱা ১০ গৰাকী আৰক্ষী কৰ্মীৰ স্মৃতিত এই দিৱস পালন কৰা হয়। এই উপলক্ষে কেন্দ্ৰীয় সশস্ত্ৰ আৰক্ষী বাহিনী আৰু দিল্লী আৰক্ষীৰ জোৱানসকলৰ যুটীয়া কুছ-কাৱাজৰ আয়োজন কৰা হৈছে। কেন্দ্ৰীয় গৃহ ৰাজ্যমন্ত্ৰী, কেন্দ্ৰীয় সশস্ত্ৰ আৰক্ষী বাহিনীসমূহ আৰু কেন্দ্ৰীয় আৰক্ষী সংস্থাৰ মুৰববীসকলৰ লগতে অন্য বিশিষ্ট ব্যক্তিসকলে এই অনুষ্ঠানত অংশ ল'ব। প্ৰতিৰক্ষামন্ত্ৰীগৰাকীয়ে এই উপলক্ষে এটা সমাৰেশতো ভাষণ দিব। স্মৃতিচাৰণ অনুষ্ঠানৰ অংশহিচাপে কেন্দ্ৰীয় সশস্ত্ৰ আৰক্ষী বাহিনী আৰু কেন্দ্ৰীয় আৰক্ষী সংস্থাসমূহে অহা ২২ৰ পৰা ৩০ অক্টোবৰলৈ ভালেমান কাৰ্যসূচীৰ আয়োজন কৰিছে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দেশৰ সকলো শ্ৰেণীৰ নাগৰিকৰ সুবিধাৰ্থে যোৱা ২২ ছেপ্তেম্বৰত জি এছ টি সঞ্চয় উৎসৱৰ ঘোষণা কৰিছিল। আজি দেশৰ স্বাস্থ্যখণ্ডত জি এছ টি সংস্কাৰৰ ফলত পৰা প্ৰভাৱ সম্পৰ্কে আলোকপাত কৰা হৈছে।

পৰৱৰ্তী প্ৰজন্মৰ জি এছ টি সংস্কাৰে দেশৰ স্বাস্থ্য খণ্ডত বিশেষ প্ৰভাৱ পেলাইছে। এই সংস্কাৰৰ ফলত ভালেসংখ্যক ঔষধ আৰু চিকিৎসা সম্পৰ্কীয় সামগ্ৰীৰ দাম যথেষ্ট কম হোৱা পৰিলক্ষিত হৈছে। কৰ্কট ৰোগত ব্যৱহৃত ঔষধকে ধৰি মুঠ ৩৬ বিধ জীৱনদায়িনী ঔষধৰ ক্ষেত্ৰত পূৰ্বৰ ১২ শতাংশ কৰ ৰেহাই দিয়া হৈছে। একেদৰে অতি প্ৰয়োজনীয় ঔষদ চিকিৎসা সঁজুলিৰ ক্ষেত্ৰতো পূৰ্বৰ ১২ শতাংশ জি এছ টিৰ পৰা বৰ্তমান ৫ শতাংশলৈ হ্ৰাস কৰা হৈছে।

০০০০০

বাহৰেইনত অনুষ্ঠিত এছিয়ান য়ুথ গেমছ ২০২৫ত ভাৰতৰ ১৫ বছৰীয়া খেলুৱৈ খুছীয়ে কুৰাচত কালি ব্ৰঞ্জৰ পদক লাভ কৰি দেশৰ বাবে পদক লাভৰ সূচনা কৰে। ছোৱালীৰ ৭০ কিলোগ্ৰাম ওজন শাখাত অংশ লৈ খুছীয়ে ছেমি ফাইনেলত উজবেকিস্তানৰ ডি ট'ৰ্চন'ভাৰ হাতত পৰাস্ত হৈ ব্ৰঞ্জৰ পদকতে সন্তুষ্ট থাকিবলগীয়া হয়।

কুৰাচ হৈছে উজবেকিস্তানৰ ভূমিত উত্থান হোৱা এক মল্লযুঁজ আৰু ই বিশ্বৰ সমৰকলাসমূহৰ অন্যতম। এই কুৰাচৰ প্ৰায় ৩ হাজাৰ ৫০০ বছৰজোৰা ইতিহাস আছে।

০০০০০

আই চি চি মহিলা বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত যোৱা নিশা ইন্দোৰৰ হ'লকাৰ ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত ইংলেণ্ডে ভাৰতক ৪ ৰানত পৰাস্ত কৰে। ভাৰতে ২৮৯ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি নিৰ্ধাৰিত ৫০ অভাৰত ৬ উইকেটৰ বিনিময়ত ২৮৪ ৰানহে কৰিবলৈ সমৰ্থ হয়। স্মৃতি মান্ধানাই ৮৮, হৰমনপ্ৰীত কৌৰে ৭০ আৰু দিপ্তী শৰ্মাই ৫০ ৰান কৰে। ইয়াৰ পূৰ্বে ইংলেণ্ডে প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈ নিৰ্ধাৰিত ৫০ অভাৰত ৮টা উইকেট হেৰুৱাই ২৮৮ ৰান কৰে। দলৰ হৈ হিথাৰ নাইটছে ১০৯ ৰান কৰি ইংলেণ্ডৰ স্থিতি সবল কৰি তোলে। ভাৰতৰ হৈ দিপ্তী শৰ্মাই ৪টা উইকেট দখল কৰাৰ লগতে নৱাগত শ্ৰী চৰনীয়ে দুটা উইকেট লাভ কৰে। হিথাৰক প্লেয়াৰ অৱ দা মেচ ঘোষণা কৰা হয়।

এই জয়ৰ সুবাদত ইংলেণ্ডে ছেমি ফাইনেলত অষ্ট্ৰেলিয়া আৰু দক্ষিণ আফ্ৰিকাৰ সৈতে স্থান নিশ্চিত কৰিছে। ভাৰতে এই প্ৰতিযোগিতাৰ ছেমি ফাইনেলত প্ৰৱেশ কৰিবলৈ হ'লে নিউজিলেণ্ডৰ আৰু বাংলাদেশৰ সৈতে দুয়োখন খেলতে জয়লাভ কৰিব লাগিব।

প্ৰতিযোগিতাত আজি শ্ৰীলংকা বাংলাদেশৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন নৱী মুম্বাইৰ ড০ ডি ৱাই পাটিল স্পৰ্টছ্ একাডেমীত বিয়লি ৩ বজাত আৰম্ভ হ'ব।

০০০০০

ভাৰতৰ য়ুকি ভাম্ব্ৰী আৰু ছুইডেনৰ আণ্ড্ৰে গ'ৰানচনৰ যুটীটোৱে অষ্ট্ৰিয়াত অনুষ্ঠিত ভিয়েনা অপেন টেনিছ প্ৰতিযোগিতাৰ পুৰুষৰ ডাবলছৰ প্ৰি-কোৱাৰ্টাৰ ফাইনেলত কাইলৈ অষ্ট্ৰিয়ান যুটী নীল অবাৰলেইটনাৰ আৰু জ'ল ছুৱাৰ্টছ্লাৰৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। ভিয়েনাত অনুষ্ঠিত এই এ টি পি ভিয়েনা অপেন হৈছে ইউৰোপৰ মুখ্য ইনডৰ প্ৰতিযোগিতাসমূহৰ অন্যতম।

০০০০০

সমাপ্ত